কৰে। ব্যৱসায়িক প্ৰতিষ্ঠান এটাই ...

# নৱজ্যোতি কলেজত কেৰিয়াৰক লৈ আলোচনাচক্ৰ



প্ৰতিদিন সেৱা, মইনবড়ী, ১০ এপ্ৰিল ঃ বৰপেটা জিলাৰ কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ সভাকক্ষত আজি পুৱা ১১ বজাত কলেজখনৰ 'প্ৰয়াস' গোটৰ উদ্যোগত আৰু হেল্পলাইন ফাউণ্ডেচনৰ সহযোগত ছাত্ৰ-ছাত্ৰী তথা যুৱপ্ৰজন্মৰ কেৰিয়াৰ আৰু উদ্যমিতা উন্নয়ন সন্দৰ্ভত প্ৰশিক্ষণ আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে 'প্ৰয়াস'ৰ সমন্বয়ক মেৰিনা আহমেদ আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে অধ্যাপিকা পাঞ্চালী বৈশ্যই। অনুষ্ঠানটোত মুখ্য আলোচক হিচাপে উপস্থিত থাকি নৰ্থ-ইষ্ট যুথ ফাউণ্ডেচনৰ সঞ্চালক তথা বিশিষ্ট কেৰিয়াৰ মেণ্টৰ আৰু মটিভেচনেল স্পীকাৰ ৰঞ্জন কুমাৰ বৰুৱাই যুৱ প্ৰজন্মৰ কেৰিয়াৰ আৰু উদ্যমিতা সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। আলোচনাচক্ৰত অন্যতম সমল ব্যক্তি শ্বামিম আখতাৰ, হেল্পলাইন ফাউণ্ডেচনৰ সভাপতি শ্বাফিউল হাছন, অধ্যাপক বি কে শ্যামল, প্ৰবক্তা ড° শ্বাহজামাল শ্বেইখ, সাংবাদিক দোস্ত হাফিজুৰ ৰহমানসহ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# সৰুক্ষেত্ৰীত চাৰিটা কামৰ আধাৰশিলা স্থাপন

প্ৰতিদিন সেৱা, কয়াকুছি, ১০ এপ্ৰিল ঃ সৰুক্ষেত্ৰী সমষ্টিৰ যুৱ বিধায়ক জাকিৰ হুছেইন শিকদাৰে বৰপেটাৰ উপায়ুক্ত থানেশ্বৰ মালাকাৰক লগত লৈ আজি চাৰিটা কামৰ আধাৰশিলা স্থাপন কৰে। প্ৰথমে পি এম জি এছ ৱাই আঁচনিৰ জৰিয়তে প্ৰায় ৭২ লাখ টকাৰে ভৱানীপুৰ পথৰ পৰা ৩নং কলনিলৈ যোৱা পথটোৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পিচত ছাপাৰবড়ী বজাৰৰ পৰা পশ্চিমফালে যোৱা পথটোৰ পি এম জি এছ ৱাই আঁচনিৰ জৰিয়তে প্ৰায় ২৭ লাখ টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ভক্তৰডবা-ছাপাৰবড়ী পথৰ পৰা ফিঙুৱালৈ যোৱা পথটো পকীকৰণৰ বাবে পি এম জি এছ ৱাই আঁচনিৰ জৰিয়তে মঞ্জুৰি দিয়া প্ৰায় ১ কোটি ১০ লাখ টকাৰে নিৰ্মিত হ'বলগীয়া পথটোৰ আধাৰশিলা স্থাপন কৰে। সন্ধিয়া প্ৰায় ৬ বজাত খৰমা বজাৰত থকা দলংখন মেৰামতিৰ বাবে এছ ডি আৰ এফ আঁচনিৰ